## III. নান্টিচৰ ৰাজাজ্ঞা, চতুৰ্থ হেনৰী, ৰিচেলিউ, মেজাৰিনৰ বৰঙণি (The Edict of Nantes, Henry iv; Richelieu; Mazarin's contribution)

১৬ শতিকাত দেখা দিয়া গৃহযুদ্ধৰ পৰিণাম আৰু বৈদেশিক আক্ৰমণে ফ্ৰান্সক উন্নতিৰ দিশত বিফলতা আনিছিল। সেই সময়ত স্পেইনে ইউৰোপৰ ৰাজ্যবোৰৰ ভিতৰত শ্ৰেষ্ঠ আছিল। সেই বছৰতে নান্টিচৰ ৰাজাজ্ঞাই আভ্যন্তৰীণ শান্তি প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি দিছিল। স্পেইনৰ সৈতে ফ্ৰান্সৰ ভাৰ্ভিন (vervins) ৰ চুক্তি সম্পাদন কৰা হৈছিল আৰু ফ্ৰান্সক আসন্ন বৈদেশিক বিপদৰ পৰা মুক্ত কৰিছিল। এইবোৰ সফলতাৰ গৌৰৱৰ অধিকাৰী ফৰাচী ৰজাজন আছিল বুৰবন বংশৰ চতুৰ্থ হেনৰী (১৫৮৯-১৬১০)। তেৱেঁই ১৭ শতিকাৰ ফান্সৰ আধিপত্যৰ ভেঁটি স্থাপন কৰিছিল। চতুৰ্থ হেনৰী এজন শক্তিশালী আৰু

Scanned with CamScanner

সক্রিয় বা কৰ্মঠ ৰজা আছিল। তেওঁ অবিৰাম প্ৰজাৰ কল্যাণৰ হকে মনোযোগ দিছিল আৰু সেইবাবে তেওঁক উত্তম ৰজা হেনৰী (Good king Henry) বুলি উপাধি দিছিল। তেওঁৰ অতি আপোন সঙ্গীসকলে তেওঁক স্বাৰ্থপৰ আৰু ধনলোভী বুলি জানিছিল। তেওঁৰ খৰতকীয়া সিদ্ধান্ত প্ৰজাৰ মঙ্গলৰ বাবেহে আছিল আৰু সেইবোৰ তেওঁ কাৰ্যকৰী কৰিছিল। মুঠতে হেনৰীৰ গাত ৰণুৱাৰ গুণ আছিল। চতুৰ্থ হেনৰীক তেওঁৰ ৰাজত্বকালত দায়িত্বপূৰ্ণ সেৱা আগবঢ়াইছিল এজন ৰাজভক্তিপৰায়ণ হিউগিনেট চুল্লীৰ ডিউকে। চুল্লীৰ ডিউক আছিল চতুৰ্থ হেনৰীৰ প্ৰধানমন্ত্ৰী আৰু যিজন আছিল ৰজাৰ দৰে ধনলোভী। অৰ্থনৈতিক কাম-কাজৰ তদাৰক সাধাৰণ বিষয়া হিচাপে নিয়োজিত হৈ চুল্লীয়ে সমগ্ৰ ৰাজ্য পৰিদৰ্শন কৰিছিল আৰু ৰাজ্যৰ ৰাজহ বিভাগৰ পৰিবৰ্তন সাধন কৰিছিল। নিজৰ ক্ষমতা প্ৰয়োগ কৰি অৰ্থ সংগ্ৰহ কৰিবলৈ তেওঁ প্ৰাদেশিক গভৰ্ণৰসকলক বাধা দিছিল আৰু বহুতো কৰ সংগ্ৰহৰ নীতি ৰদ কৰিছিল। ১৬০০খৃঃৰ পৰা ১৬১০ খৃঃৰ ভিতৰত কঠোৰ প্ৰশাসনৰ জৰিয়তে তেওঁ এবছৰ এক নিযুত লিভাৰ (livers) বচাবলৈ সক্ষম হৈছিল। ৰজাই উৎসাহেৰে চুল্লীৰ খৰচ হ্ৰাস কৰা নীতি সমৰ্থন কৰিছিল। তেওঁ শিল্পীসকললৈ আগবঢ়োৱা ৰাজসাহায্য হ্ৰাস কৰিছিল আৰু প্ৰিয়জনলৈ ধন অনুমোদন কৰিছিল। ৰাজ্যৰ আইন শৃংখলা ৰক্ষাৰ বাবে আৰু বিদ্ৰোহী ডা-ডাঙৰীয়াসকলক দমনৰ বাবে প্ৰয়োজনীয় সৈন্যবাহিনীহে তেওঁ ৰাখিছিল। বিশ্বশান্তি অটুত ৰখা তেওঁ 'বৃহৎ আচনি' (Grand design) নামেৰে এটা প্ৰস্তাৱ আগবঢ়াইছিল যদিও পাৰস্পৰিক বিদ্বেষৰ বাবে তেওঁৰ প্ৰস্তাব কাৰ্যকৰী হোৱা নাছিল। তেৰেই প্ৰথম বিশ্বত সাৰ্বজনীন শান্তি আৰু নিৰস্ত্ৰীকৰণ নীতিৰ বিশ্বাসযোগ্যতা আৰু প্ৰয়োজনীয়তাৰ কথা বিশ্বাবাসীৰ আগত দাঙি ধৰিছিল।

যেতিয়া দেশত আভ্যন্তৰীণ শান্তি প্ৰতিষ্ঠা হৈছিল আৰু আকস্মিকভাৱে প্ৰয়োজন হোৱা ধনৰ ব্যৱস্থা কৰি চতুৰ্থ হেনৰী আৰু তেওঁৰ মন্ত্ৰীয়ে দেশৰ

Scanned with CamScanner

সম্পদ বৃদ্ধিৰ কাৰণে দুয়োৱে কঠোৰ পৰিশ্ৰম কৰিছিল। এনেদৰে দুয়োজনে জনসাধাৰণৰ ধন সম্পদ আৰু শান্তি বৃদ্ধি কৰিছিল। চুল্লীয়ে বিশ্বাস কৰিছিল যে জাতিৰ বা দেশৰ প্ৰকৃত সম্পদৰ ধন কৃষিৰ পৰা আহৰণ কৰিব পাৰি আৰু সেই বাবে তেওঁ কৃষিত উৎসাহ যোগাইছিল। আনকি ইয়াৰ উন্নতিৰ বাবে প্ৰয়োজন হ'লে তেওঁ উদ্যোগ আৰু বাণিজ্যও বন্ধ কৰাৰ পোষকতা কৰিছিল। যেতিয়া ৰজাই চুল্লীক কৃষি উন্নয়নৰ কামত আগবাঢ়িবলৈ অনুমতি দি তেওঁ নিজে ব্যৱসায়ী শ্ৰেণীক উৎসাহিত কৰিছিল। কৃষিৰ উন্নতিৰ বাবে চুল্লীয়ে আভ্যন্তৰীণ শুল্ক উঠাইদিছিল আৰু মুক্তভাৱে শস্যৰ বীজ বিতৰণ কৰিছিল, সঞ্চয় কৰাত ৰাজকীয় সহায় আগবঢ়াইছিল, হাবি-বননিৰ ধ্বংস কাৰ্য ৰোধ কৰিছিল, পথাৰলৈ পানী নিয়াৰ বাবে নলা খান্দিছিল, ৰাস্তা আৰু দলং পুনৰ নিৰ্মাণ কৰিছিল। চতুৰ্থ হেনৰীয়ে পাট পলুৰ গছ আৰু নুনী গছৰ প্ৰচলন কৰিছিল আৰু ইয়াৰ দ্বাৰা তেওঁ উদ্যোগ সংস্থাপনত সহায় কৰিছিল আৰু পাট উদ্যোগে ফ্ৰান্সত গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল। চতুৰ্থ হেনৰীৰ ৰাজত্বকালৰ পৰাই পেৰিচ, লিয়নচ্ আৰু মাৰচেলিচৰ অৰ্থনৈতিক বিকাশ হৈছিল।

ৰজাই বাণিজ্যতো উদগণি দিছিল। এখন ফৰাচী সদাগৰৰ জাহাজ ৰাজকীয় সাহায্যত নিৰ্মাণ কৰা হৈছিল। তেওঁৰ সময়তে এটা নৌবহৰো আৰম্ভ কৰা হৈছিল। এনেদৰে লাহে লাহে ফ্ৰান্সে স্পেইনৰ বাণিজ্যিক আধিপত্যত আঘাত কৰিছিল আৰু প্ৰথমে ডাচ্চসকলৰ সৈতে আৰু পিছত ইংৰাজসকলৰ সৈতে সমুদ্ৰত বাণিজ্যিক প্ৰতিযোগিতাত নামি পৰিছিল। ভাৰতত ফৰাচী বাণিজ্যিক কোঠ স্থাপন কৰা হৈছিল আৰু উত্তৰ আমেৰিকাত ফৰাচী ঔপনিবেশিক সাম্ৰাজ্যৰ ভেটি স্থাপন কৰিবলৈ চেমপ্লেইনক (Champlain) নতুন বিশ্বলৈ (New world) প্ৰেৰণ কৰা হৈছিল। ফ্ৰান্সৰ বাবে সৌভাগ্য যে ফ্ৰান্সে চতুৰ্থ হেনৰী আৰু চুল্লীৰ দুজন দূৰদৰ্শী লোক লাভ কৰিছিল। ১৬১০খৃঃত এজন ধৰ্ম বলিয়া লোকৰ দ্বাৰা চতুৰ্থ হেনৰীক বধ



কৰাৰ ফলত ৰজাৰ অশেষ চেষ্টাৰ ফল অথলে যাব বুলি সন্দেহ কৰা হৈছিল, কিয়নো ৰজাৰ বিধবা ৰাণী 'মেৰী দি মেদিচী সিংহাসনত বহিছিল। এজন উচ্ছাকাঙ্খী আৰু অদক্ষ নাৰী মেৰী দি মেদিচীয়ে চুল্লীক অপসাৰণ কৰি ৯ বছৰীয়া পুত্ৰ ত্ৰয়োদশ লুইৰ ৰাজপ্ৰতিনিধি হিচাপে তাই কাৰ্যনিৰ্বাহ কৰিছিল। ৰাণী প্ৰতিনিধিক এচাম তেওঁৰ প্ৰিয় অকৰ্মণ্য বিষয়াই আগুৰি আছিল। কিন্তু ৰাণীৰ কঠোৰ কেথলিক নীতিক ভয় কৰা হিউগিনেটসকলে ঘৃণা কৰিছিল। একেদৰে ডা-ডাঙৰীয়া কেথলিক আৰু হিউগিনেটসকলে একেদৰে নিজৰ অধিকাৰ আৰু ক্ষমতা ৰক্ষাৰ বাবে উদ্বিগ্ন হৈ পৰিছিল।

চতুৰ্থ হেনৰীৰ ৰাজকোষ অতি সোনকালে উদং হৈছিল আৰু ফ্ৰান্সে অৰ্থনৈতিক সংকটত ভুগিছিল। অৰ্থনৈতিক সংকটৰ পৰা ৰক্ষা পাবৰ বাবে জৰুৰীকালীনভাৱে ১৬১৪ খৃঃত ইষ্টেট জেনেৰেল (Estate General) আহ্বান কৰা হৈছিল। একাদশ লুইৰ সময়ৰে পৰা (১৪৬১), ফৰাচী ৰজাসকলে সম্পূৰ্ণ ক্ষমতাধাৰী হিচাবে ৰজাৰ ওপৰত থকা মধ্যযুগীয়া এই প্ৰতিবন্ধক দূৰ কৰিবলৈ চেষ্টা কৰিছিল। ৰজাসকলে ৰাজহুৱা অচলাৱস্থা বা অৰ্থনৈতিক অভাৱৰ সময়তহে মাত্ৰ ইষ্টেট জেনেৰেল আহ্বান কৰিছিল। আচলতে ১৬১৪ খৃঃত ইষ্টেট জেনেৰেল কাৰ্যক্ষম হৈ আছিলনে? ইয়াৰ স্থান আৰু ক্ষমতা ১৭ শতিকাৰ ইংলেণ্ড পাৰ্লিয়ামেণ্টৰ দৰে আছিলনে আৰু ফ্ৰান্সত সাংবিধানিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিলনে? কিন্তু ইয়াৰ সংগঠন আৰু ব্যক্তিগতভাৱে বিৰোধী হৈ এনে বীৰত্বপূৰ্ণ কাৰ্যৰ বিৰুদ্ধে যুঁজিবলৈ সাজু হৈছিল। তিনিখন ইষ্টেট-যাজক (clergy), ডা ডাঙৰীয়া (nobles) আৰু সাধাৰণ প্ৰজা, পৃথক সভাত মিলিত হৈছিল। যাজক আৰু ডা-ডাঙৰীয়াসকলে নিজেও কৰ দিয়া নাছিল নাইবা তৃতীয় ইষ্টেট সাধাৰণ প্ৰজাৰ সভাৰ সৈতে সহযোগ কৰা নাছিল। সাধাৰণ প্ৰজা অৰ্থাৎ তৃতীয় ইষ্টেটৰ বেছিভাগ সদস্য আছিল হিউগিনেট আৰু এওঁলোকক ৰজাঘৰেও ঘিণ কৰিছিল আৰু প্ৰথম আৰু দ্বিতীয় ইষ্টেটেও ঘৃণা কৰিছিল। এইটো আচৰিত নাছিল যে এনে পৰিস্থিতিত ১৬১৪ খৃঃৰ

Scanned with CamScanner

সভা মাত্ৰ তিনি সপ্তাহৰ বাবেহে বহিছিল আৰু প্ৰহসন হিচাবে শেষ হৈছিল। ৰাণী প্ৰতিনিধিয়ে সভাকক্ষৰ দুৱাৰ বন্ধ কৰিছিল আৰু প্ৰতিনিধিসকলক ঘৰলৈ যাবলৈ দিয়া হৈছিল কিয়নো সভাকক্ষটো ৰাণীক নৃত্যৰ বাবে প্ৰয়োজন হৈ পৰিছিল। তেতিয়াৰ পৰা ১৭৮৯ খৃঃলৈ অৰ্থাৎ ১৭৫ বছৰ ইষ্টেটচ জেনেৰেলৰ সভা বহা নাছিল। ইষ্টেটছ্ জেনেৰেলৰ সভা পুনৰ ১৭৮৯ চনতহে বহিছিল।

১৬১৪ খৃঃত সভাৰ বিফলতাৰ পিছত, ৰাজ্যৰ অৱস্থা ক্ৰমে শোচনীয় হৈ পৰিছিল। পুনৰ ৰাজ্যত আভ্যন্তৰীণ অশান্তিৰ সূত্ৰপাত আৰম্ভ হৈছিল। ডাঙৰীয়া আৰু হিউগিনটসকল নিজৰ মাজত বিবাদত লিপ্ত হৈ পৰিছিল আৰু উভয়ে ৰজাসভাৰ প্ৰিয় সকলৰ বিৰোধী আছিল। তাৰোপৰি সেই সময়তে চতুৰ্থ হেনৰীৰ বৈদেশিক নীতিৰ পৰিবৰ্তন কৰা হৈছিল। চতুৰ্থ হেনৰীয়ে স্পেইনক প্ৰধান প্ৰতিদ্বন্দ্বী আৰু ফ্ৰান্সৰ সাধাৰণ শত্ৰু হিচাবে গণ্য কৰিছিল। চতুৰ্থ হেনৰীয়ে ফ্ৰান্সৰ আভ্যন্তৰীণ কাৰ্যত হস্তক্ষেপ নকৰিবলৈ দ্বিতীয় ফিলিপৰ চেষ্টাক বাধা প্ৰদান কৰিছিল। তাৰোপৰি তেওঁ স্পেনিচ হেপচবাৰ্গৰ সৈতে কৰিবলগা মিত্ৰতাৰ পৰা আঁতৰি আছিল। আনহাতে, মেৰী দি মেদিচী স্পেনিচৰ সমৰ্থক আছিল, কাৰণ তাই স্পেইনৰ চকুত লগা শক্তি দেখি সচকিত হৈছিল। তাই কল্পনা কৰিছিল যে স্পেইনৰ সহায়ত তাই ফ্ৰান্সক অতিক্ৰম কৰিবলৈ সক্ষম হ'ব। সেই উদ্দেশ্যৰে তাই ১৬১৫ খৃঃত তাইৰ পুত্ৰ ত্ৰয়োদশ লুইৰ সৈতে স্পেইনৰ ৰজা তৃতীয় ফিলিপৰ কন্যা অষ্ট্ৰিয়াৰ এনিৰ বিবাহ সম্পন্ন কৰিছিল আৰু স্পেইনৰ হেপচবাৰ্গ সকলতকৈ ফ্ৰান্সৰ বুৰবনসকলৰ নীতি নিম্নগামী কৰিছিল। তাই স্পেইনৰ প্ৰতি দেখুওৱা আহেতুক প্ৰীতিয়ে ফ্ৰান্সত তাইক অপ্ৰিয় কৰি তুলিছিল আৰু তাইৰ শাসনৰ বিৰুদ্ধে ডা-ডাঙৰীয়া আৰু হিউগিনেটসকলে নতুনকৈ বিদ্ৰোহ কৰিছিল। অৱশেষত ত্ৰয়োদশ লুইৰ মাতৃৰ সৈতে মতানৈক্য ঘটিছিল আৰু তাইক অপসাৰণ কৰি ফ্ৰান্সৰ শাসনভাৰ নিজৰ হাতলৈ আনিছিল। কিন্তু ত্ৰয়োদশ



লুইৰ ৰাজ্যৰ শাসন কাৰ্যতকৈ সংগীত আৰু চিকাৰতহে বেছি মনোযোগ আছিল। এনে অৱস্থাত তেওঁ মাতৃৰ পৰা কাৰ্ডিনেল ৰিচেলিউ নামৰ এজন ৰাইজৰ সেৱক লাভ কৰিছিল আৰু তেওঁ অবিহনে ত্ৰয়োদশ লুইয়ে ৰাজ্যৰ পৰিস্থিতিৰ উন্নতি সাধন কৰাতো সম্ভৱ নহ'লহেতেন। ৰিচেলিউয়ে ৰাজনীতিৰ জ্ঞান আৰু কঠোৰ পৰিশ্ৰম কৰিব পৰা ক্ষমতা লাভ কৰিছিল। ১৬২৪ খৃঃ ৰ পৰা ১৬৪২ খৃঃ লৈ ১৮ বছৰকাল ফ্ৰান্সৰ ৰাজকীয় ক্ষমতা ত্ৰয়োদশ লুইৰ পৰিবৰ্তে তেওঁৰ বিখ্যাত মন্ত্ৰী ৰিচেলিউয়ে বেছিকৈ প্ৰয়োগ কৰিছিল।

**চতুৰ্থ হেনৰীৰ ধৰ্ম নীতি আৰু নান্টিচৰ ৰাজাজ্ঞা (Religious policy of Henry IV and the Edict of Nantes) ঃ** হেনৰীয়ে তেওঁৰ স্থান শক্তিশালী কৰিবলৈ দুটা পথ অৱলম্বন কৰিছিল। প্ৰথমতে তেওঁ প্ৰটেষ্টান্ট ধৰ্ম ত্যাগ কৰি কেথলিক ধৰ্ম গ্ৰহণেৰে ফ্ৰান্সৰ কেথলিকসকলক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। দ্বিতীয়তে তেওঁ বহু পৰিমাণে ধৰ্মীয় স্বাধীনতা অনুমোদন কৰি ফ্ৰান্সৰ হিউগিনটসকলকো সন্তুষ্ট কৰিছিল। তেওঁৰ উদ্দেশ্য আছিল সকলো ধৰ্মৰ মাজত মিলাপ্ৰীতি আৰু একতা বজাই ৰখা। তেওঁ কেথলিক ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা কাৰ্যই কেথলিকসকলক সন্তুষ্ট কৰিছিল কিন্তু তেওঁৰ প্ৰটেষ্টান্ট বন্ধুসকল অসন্তুষ্ট হৈছিল। হেনৰীৰ অতি ওচৰ আৰু ঘনিষ্ঠ বন্ধুসকলে তেওঁক সহায় আৰু সহযোগ কৰাৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি আছিল। এইসকল বন্ধুৱে ৰজাৰ নিৰাপত্তা আৰু প্ৰজাৰ কল্যাণৰ বাবে ৰজাক যিকোনো মূল্যৰ বিনিময়ত সহায় কৰিবলৈ প্ৰস্তুত আছিল। সেইবাবে চতুৰ্থ হেনৰীয়ে প্ৰটেষ্টান্টসকলক কিছু পৰিমাণে ৰেহাই দিবলৈ ১৫৯৮ খৃঃত নান্টিচৰ ৰাজাজ্ঞা জাৰি কৰিছিল।

নান্টিচৰ ৰজাজ্ঞা (১৫৯৮) ধৰ্মীয় স্বাধীনতাৰ ধীৰ যন্ত্ৰণাদায়ক বিকাশৰ যুগত অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ৰাজাজ্ঞাত থকা গুৰুত্বপূৰ্ণ ব্যৱস্থাবোৰ আছিল—

১। সমগ্ৰ ফ্ৰান্সৰ প্ৰটেষ্টান্টসকলক গোপনীয় পূজা আৰু বিবেকৰ

স্বাধীনতা প্ৰদান কৰা হৈছিল।

২। প্ৰটেষ্টাণ্টসকলক দুশ নিৰ্দিষ্ট নগৰত আৰু তিনি হাজাৰ দুৰ্গত ৰাজহুৱা পূজাৰ অনুমতি দিয়া হৈছিল।

৩। প্ৰটেষ্টাণ্ট বিদ্যালয়সমূহলৈ চৰকাৰী অৰ্থ সাহায্যৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল।

৪। প্ৰটেষ্টাণ্ট ধৰ্মগ্ৰন্থ প্ৰকাশ কৰাটো বৈধ বুলি গ্ৰহণ কৰা হৈছিল।

৫। প্ৰটেষ্টাণ্টসকলক অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ প্ৰদান কৰা হৈছিল।

৬। প্ৰটেষ্টাণ্টসকলে মুক্তভাৱে সমবেত হোৱাৰ অনুমতি দিয়া হৈছিল আৰু তেওঁলোকক নিজৰ মাজত কিছুমান ন্যায়িক কাৰ্য সম্পাদন কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছিল।

৭। পূৰ্বৰ সকলো অধিকাৰক সন্মান জনোৱা হ'ব বুলি নিশ্চয়তা প্ৰদান কৰিছিল আৰু প্ৰটেষ্টাণ্টসকলে ২০০ খন সুৰক্ষিত নগৰ ৮ বছৰৰ বাবে দখল কৰি ৰাখিব পাৰিব।

**নাণ্টিচৰ ৰাজাজ্ঞাৰ গুৰুত্ব (Significance of the Edict of Nantes) ঃ** নাণ্টিচৰ ৰাজাজ্ঞা অকল ফ্ৰান্সৰ ইতিহাসৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, ইউৰোপৰ ইতিহাসৰ বাবেও ই সমানে গুৰুত্বপূৰ্ণ। কাৰণ ধৰ্মীয় অসহিষ্ণুতাৰ সময়ত প্ৰথমবাৰৰ বাবে প্ৰটেষ্টাণ্ট বা হিউগিনটসকলে ফ্ৰান্সত বিশাল পৰিসৰত অধিকাৰ, স্বাধীনতা ৰেহাই আৰু সুবিধা লাভ কৰিছিল। প্ৰটেষ্টাণ্টসকলে ২০০ খন ঠাইত ৩০০ টা দুৰ্গত ধৰ্মীয় সেৱা কৰাৰ অধিকাৰ লাভ কৰিছিল। পেৰিচৰ পৰা ২১ কিলোমিটাৰৰ ভিতৰত বাস কৰা হিউগিনটসকলে আৰু ইয়াৰ আশে পাশে বাস কৰা সকলে কেথলিকসকলৰ দৰে ধৰ্ম চৰ্চা কৰাৰ, পঢ়াশালি, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পঢ়াৰ সমান অধিকাৰ লাভ কৰিছিল। তেওঁলোকক ১০০ দুৰ্গ সুৰক্ষিত কৰাৰ অনুমতি দিয়া হৈছিল। নাণ্টিচৰ ৰজাজ্ঞাই এখন গৃহযুদ্ধৰ অৱসান ঘটাইছিল।



কিন্তু ই আন এখন গৃহ যুদ্ধৰ কাৰণ হৈ পৰিছিল। এই ৰাজাজ্ঞাই চতুৰ্থ হেনৰীৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছিল আৰু মানুহে তেওঁক 'উত্তম ৰজা হেনৰী' বুলি ক'বলৈ ধৰিছিল। হেজৰ মতে নাণ্টিচ ৰাজাজ্ঞাই হিউগিনট, প্ৰটেষ্টাণ্ট আৰু ৰোমান কেথলিকসকলক আইনৰ আগত সকলোকে সমান কৰি তুলিছিল। ধৰ্মান্ধ আৰু সংকীৰ্ণতাৰ যুগত চতুৰ্থ হেনৰীয়ে নাণ্টিচৰ ৰাজাজ্ঞা বা ঘোষণাৰ জৰিয়তে মানুহে কেতিয়াও কল্পনা কৰিব নোৱাৰা অধিকাৰ আৰু সুবিধা ফ্ৰান্সৰ জনসাধাৰণলৈ আগবঢ়াইছিল। ফ্ৰান্সৰ প্ৰজাৰ বাবে নাণ্টিচৰ ৰাজাজ্ঞা আছিল পৰম আশীৰ্বাদ। ইউৰোপৰ আন আন ৰাজ্যবোৰে চতুৰ্থ হেনৰী আদৰ্শ অনুসৰণ কৰিছিল। ইয়াৰ ফলত ফ্ৰান্সৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বিকাশ সম্ভৱ হৈছিল আৰু জাতীয় একতাৰ ধাৰণা শক্তিশালী হৈছিল।

**সমালোচনা (Criticism) ঃ** নাণ্টিচৰ ঘোষণাই ফ্ৰাসত শান্তিৰ পৰিৱেশ ৰচনা কৰিলেও ৰোমান কেথলিকসকলে প্ৰটেষ্টাণ্ট সকললৈ আগবঢ়োৱা অধিকাৰক লৈ সুখী নাছিল আৰু কেথলিকসকলে চতুৰ্থ হেনৰীৰ ঘোষণাক নিন্দা কৰিছিল। বহুতো প্ৰচেষ্টাণ্টেও এই ঘোষণাৰ প্ৰতি সন্তুষ্ট নাছিল। তেওঁলোকে ইয়াক আন্তৰিকতাহীন আৰু অৰ্ধ ঘোষণা আখ্যা দিছিল কিয়নো এই ঘোষণাৰ দ্বাৰা কেলভিনপন্থী আৰু হিউগিনটসকলকহে স্বীকৃতি দিয়া হৈছিল, আন প্ৰটেষ্টাণ্টৰ কোনো উল্লেখ নাছিল। বহুতো হিউগিনট ডাঙৰীয়াই এই ঘোষণাৰ অপব্যৱহাৰ কৰি সুৰক্ষিত দুৰ্গ নিৰ্মাণ কৰিছিল আৰু কেথলিকৰ বিৰুদ্ধে ৰণত লিপ্ত হৈছিল। এই ঘোষণাৰ দ্বাৰা ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা হৈছিল। হিউগিনট সকল নিজৰ ক্ষমতা বৃদ্ধি কৰি নিজৰ মঙ্গলৰ বাবে সংঘ গঠন কৰিছিল। অৱশ্যে ইয়ে শক্তিশালী ৰাজতন্ত্ৰ স্থাপনত বাধা প্ৰদান কৰিছিল। প্ৰকৃততে নাণ্টিচৰ ঘোষণাই ফৰাচী জাতিৰ বাবে এখন স্বাধীন ৰাজ্যৰ সৃষ্টি কৰিছিল। ৰিচেলিউয়ে এনে সমস্যাৰ মুখামুখি হৈছিল আৰু হিউগিনটসকলক দমন কৰি তেওঁ ফ্ৰান্সত উন্নত আৰু শক্তিশালী ৰাজতন্ত্ৰৰ বাট মুকলি কৰিছিল।

Scanned with CamScanner

**কাৰ্ডিনেল ৰিচেলিউ (Cardinal Richelieu)** আৰমন্দ দি ৰিচেলিউৰ (Armand de Richelieu) পইটনৰ (poiton) এটা ন'বল পৰিয়ালত জন্ম হৈছিল (১৫৮৫-১৬৪২) আৰু ৰাজকীয় জীৱনৰ বাবে প্ৰশিক্ষণ লৈছিল। ২১ বছৰ বয়সত তেওঁ লিউকনৰ (Lucon) বিচপ নিয়োজিত হৈছিল। ১৬১৪ খৃঃৰ বিখ্যাত ইষ্টেট জেনেৰেলত যাজকৰ মুখপাত্ৰ হিচাবে দেখুওৱা বাগ্মীতা আৰু তীক্ষ্ণ বুদ্ধিয়ে মেৰী দি মেদিচীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তাই ৰিচেলিউক ৰাজসভালৈ আনি ৰাজকীয় পৰিষদত স্থান দিছিল আৰু ৰোমান চাৰ্চৰ এজন কাৰ্ডিনেল হিচাবে মনোনয়ন লাভ কৰিছিল। ৰিচেলিউয়ে ফ্ৰান্সত চলি থকা বেয়া দিশবোৰ পৰ্যবেক্ষণ কৰিছিল আৰু সেইবোৰ দূৰ কৰিবলৈ সিদ্ধান্ত লৈছিল। চতুৰ আৰু সুযোগ সন্ধানী ৰিচেলিউয়ে প্ৰথমে ৰাণীৰ প্ৰতিনিধি আৰু তাৰ পিছত ত্ৰয়োদশ লুইৰ পৰা দয়া আৰু কৃপা লাভ কৰিছিল। ১৬২৪ খৃঃৰ লগে লগে ৰিচেলিউ ৰজাৰ প্ৰধান উপদেষ্টা আৰু প্ৰকৃত গৰাকী হৈ পৰিছিল।

ৰিচেলিউ এজন শক্তিশালী আৰু দেশপ্ৰেমিক আছিল। তেওঁ দেশ আৰু ৰজাৰ হকে সকলো ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত আছিল। ১৬২৪ খৃঃত ৰিচেলিউয়ে ত্ৰয়োদশ লুইক কৈছিল যে হিউগিনটসকলক ধ্বংস কৰিবলৈ তেওঁৰ হাতত অৰ্পণ কৰা সকলো ক্ষমতা আৰু সকলো শক্তি ৰজাক সন্তুষ্ট কৰিবলৈ ত্যাগ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। তাৰোপৰি শক্তিশালী ন'বলসকলৰ গৌৰৱ ম্লান কৰিবলৈ সকলো প্ৰজাক কৰ্তব্যত নিয়োজিত কৰিবলৈ আৰু বিদেশী ৰাষ্ট্ৰবোৰৰ মাজত লুইক উপযুক্ত স্থান দিবলৈ ৰিচেলিউ প্ৰস্তুত আছিল। তেওঁ গ্ৰহণ কৰা এই সংকল্প পূৰণ কৰিবলৈ ৰিচেলিউয়ে পৰৱৰ্তী ১৮ বছৰ কাল অবিচলিত দেশপ্ৰেম আৰু অদম্য ইচ্ছা, কূট কৌশল আৰু ৰাজসভাৰ ষড়যন্ত্ৰৰ যোগেদি চেষ্টা অব্যাহত ৰাখিছিল। মেৰী দি মেদিচী ৰিচেলিউৰ বিৰোধিতা কৰিছিল বাবে তাইক দেশান্তৰিত কৰা হৈছিল। ত্ৰয়োদশ লুইয়ে সঁচাকৈ তেওঁক ভাল পোৱা নাছিল।



**ধৰ্মীয় নীতি (Religious Policy) ঃ** আভ্যন্তৰীণ অশান্তি সৃষ্টিকাৰী হিউগিনটসকলৰ বিৰুদ্ধে ৰিচেলিউৱে প্ৰথম পদক্ষেপ গ্ৰহণ কৰিছিল। যদি তেওঁ ৰোমান কেথলিক ধৰ্মৰ কাৰ্ডিনেল আছিল তেওঁ আছিল এজন ৰাজনীতিবিদহে। ধৰ্মীয় আনন্দৰ মাজত জীৱন যাপন কৰি তেওঁ গোড়ামী ধাৰণা গ্ৰহণ কৰিছিল। এই কেথলিক কাৰ্ডিনেলজনে ৰাজনৈতিক উদ্দেশ্যত জাৰ্মানীৰ প্ৰটেষ্টাণ্টসকলক সামৰিক সাহায্য প্ৰদান কৰিছিল। ৰাজনৈতিক উদ্দেশ্যেৰে তেওঁ ফ্ৰান্সৰ প্ৰটেষ্টাণ্টসকলৰ ওপৰত আক্ৰমণ কৰিছিল। ফ্ৰান্সৰ প্ৰটেষ্টাণ্টবাদ মানে এটা প্ৰভাৱশালী ৰাজনৈতিক দল আৰু এটা ধৰ্মও। ইয়াৰ অৰ্থ আছিল জাতীয় অনৈক্য আৰু বিবাদৰ অবিৰাম সম্বল ৰাজ্যৰ ভিতৰত ৰাজ্য। চতুৰ্থ হেনৰীয়ে নাণ্টিছৰ ৰাজাজ্ঞা জাৰি কৰা সময়ৰে পৰা হিউগিনতসকলৰ নিজা সাধাৰণ সভা, বিষয়া, বিচাৰক আৰু আনকি সুৰক্ষিত নগৰ আছিল। এই সকলোবোৰ সাৰ্বভৌম শক্তিৰ দ্বাৰা পৰিচালিত হৈছিল আৰু একতা বিনষ্ট হৈছিল। এই অৱস্থাটোক চিন্তাশীল ৰজাপক্ষীয় লোকে জাতীয় ৰাজতন্ত্ৰৰ শক্তিশালী মূল খুঁটা বুলি গণ্য কৰিছিল। হিউগিনটসকলক ধৰ্মীয় স্বাধীনতাৰ পৰা বঞ্চিত কৰাৰ কোনো অভিপ্ৰায় ৰিচেলিউৰ নাছিল, কিন্তু তেওঁ স্থিৰ কৰিছিল যে ৰাজনৈতিক বিষয়ত তেওঁলোকে ৰজাক জানিব লাগিব। ফলস্বৰূপে যেতিয়া ১৬২৫ খৃঃত তেওঁলোকে বিদ্ৰোহ কৰিছিল, তেওঁ বিদ্ৰোহ দমন কৰিবলৈ সংকল্প লৈছিল। ইংলেণ্ডে তেওঁলোকক উপযুক্ত সহায় কৰিবলৈ চেষ্টা কৰা সত্বেও ৰিচেলিউয়ে হিউগিনটসকলক (Huguenots) দমন কৰিছিল। ৰিচেলিউয়ে লা ৰচেলি (La Rochelle) ১৫ মাহ ধৰি অবৰোধ কৰি ৰখা কাৰ্যই তেওঁৰ শক্তিশালী সিদ্ধান্তকে প্ৰমাণ কৰে। বিদ্ৰোহ দমনৰ পিছত এলেচৰ ৰাজাজ্ঞা (Edict of Alais) ঘোষণা কৰি প্ৰটেষ্টাণ্টসকলক ধৰ্ম আৰু বিবেকৰ স্বাধীনতা প্ৰদান কৰিছিল কিন্তু সুৰক্ষাৰ পৰা বঞ্চিত কৰিছিল আৰু ৰাজনৈতিক সভা পতা নিষিদ্ধ কৰিছিল। তেতিয়াও তেওঁলোকৰ বাবে চৰকাৰী কাৰ্যালয় মুকলি আছিল আৰু তেওঁলোকৰ প্ৰতিনিধিয়ে ন্যায়িক

Scanned with CamScanner

পদৱী ধাৰণ কৰি আছিল।

**ডা-ডাঙৰীয়াসকলক দমন (Repression of Nobles) ঃ** ডা-ডাঙৰীয়াসকলক দমন কৰা বিচেলিউৰ বাবে বৰ টান কাম আছিল। ফ্ৰান্সৰ ডা-ডাঙৰীয়া সকলে বহু শতিকা ধৰি বহুতো সুবিধা আৰু অধিকাৰ ভোগ কৰি আহিছিল। তেওঁলোকে সাম্ৰাজ্যৰ উচ্চ আৰু লোভনীয় পদত অধিষ্ঠিত আছিল। ৰাজ্যখনৰ বিভিন্ন প্ৰদেশৰ গৰ্ভণৰ হিচাবে ডা-ডাঙৰীয়াসকলৰ নাম থকাটো দীৰ্ঘদিনীয়া প্ৰথা আছিল। কিন্তু গভৰ্ণৰসকলে ক্ৰমশঃ প্ৰশাসকৰ পৰিবৰ্তে প্ৰদেশখনৰ গৰাকীত পৰিণত হৈছিল। গৰ্ভণৰসকলৰ নিজা সৈন্যবাহিনী আৰু সুৰক্ষিত দুৰ্গ আছিল। তেওঁলোকে ফৰাচী ৰাজ্যখনৰ শৃংখলাৰ প্ৰতি সামান্যও মনোযোগ দিয়া নাছিল। মাত্ৰ শক্তিশালী বুলি ভবা ৰজাৰ প্ৰতিহে আনুগত্য প্ৰকাশ কৰি তেওঁলোকৰ আদেশ পালন কৰিছিল আৰু দুৰ্বল ৰজা হ'লে তেওঁক অৱজ্ঞা কৰিছিল। কিছুমান অত্যাচাৰী গভৰ্ণৰে প্ৰদেশখনত নিজৰ চৰকাৰে প্ৰতিষ্ঠা কৰিছিল। সেইবাবে কাৰ্ডিনেল বিচেলিউয়ে গৰ্ভণৰ সকলৰ অশিষ্ট আচৰণৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছিল। ডা-ডাঙৰীয়াসকলে ৰাণী মেৰী দি মেদিচীৰ সহায়ত প্ৰধানমন্ত্ৰী বিচেলিউৰ বিৰুদ্ধে পাঁচবাৰ ষড়যন্ত্ৰ কৰি তেওঁৰ জীৱন নাশৰ চেষ্টা চলাইছিল। সেয়ে বিচেলিউয়ে কঠোৰ হাতেৰে তেওঁলোকক দমন কৰিবলৈ মনস্থঃ কৰিছিল। ১৬২৬ খৃঃত বিচেলিউৱে এটা বিশেষ আদেশ জাৰি কৰিছিল আৰু ডাঙৰীয়াসকলক তেওঁলোকৰ দুৰ্গ ধ্বংস কৰিবলৈ আদেশ দিছিল। তেওঁ ব্যক্তিগত বিবাদ বা আন বিষয়াৰ সৈতে চলোৱা যুদ্ধ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছিল আৰু যিসকলে সম্ৰাটৰ আদেশ আৰু অধ্যাদেশ বা ৰাজাজ্ঞা ভংগ কৰিছিল, তেওঁলোকক শাস্তি প্ৰদান কৰিছিল। এনেদৰে বিচেলিউৰ কঠোৰ ব্যৱস্থাৰ বাবে সুৰক্ষিত দুৰ্গ আৰু সামাজিক দ্বন্দ্ব নাইকিয়া হৈছিল। বিচেলিউয়ে অত্যাচাৰী ডাঙৰীয়াসকলক দমন কৰাত সফল হোৱাৰ উপৰিও ফ্ৰান্সত শক্তিশালী আৰু সম্পূৰ্ণ বুৰবন



ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাত সফল হৈছিল।

**প্ৰশাসন কেন্দ্ৰীয়কৰণ (Centralisation of Administration) ঃ** ৰিচেলিউয়ে ফ্ৰান্সত শক্তিশালী আৰু সম্পূৰ্ণ ৰজতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে উদ্বিগ্ন আছিল যাতে অত্যাচাৰী ন'বলসকলৰ কবলৰ পৰা সাধাৰণ প্ৰজাক মুক্ত কৰিব পাৰি। তাৰোপৰি ৰাজ্যৰ আইন-শৃঙ্খলা ৰক্ষা কৰা আৰু ফ্ৰান্সৰ গৌৰৱ ৰক্ষা কৰি তেওঁৰ বাবে আৱশ্যক হৈ পৰিছিল যাতে ফ্ৰান্সত কেন্দ্ৰীভূত চৰকাৰ প্ৰতিষ্ঠা কৰিব পাৰি। ফৰাচী চৰকাৰৰ কেন্দ্ৰীয়কৰণ ৰিচেলিউৰ স্থায়ী স্মৃতি। সেই সময়লৈ প্ৰাদেশিক গৰ্ভণৰসকল ন'বলৰ মাজৰ পৰাহে নিয়োগ কৰা হৈছিল। কিন্তু তেওঁলোকে ৰজা বা প্ৰধানমন্ত্ৰীৰ আদেশৰ প্ৰতি অকণো গুৰুত্ব দিয়া নাছিল। এই ন'বলসকল ইমানেই শক্তিশালী যে তেওঁলোকৰ পৰা এবাৰতে মুক্তি পোৱা টান বা পদৱীৰ পৰা অপসাৰণ কৰা কঠিন। সেয়ে ৰিচেলিউয়ে তেওঁলোকৰ ক্ষমতা আৰু সুবিধা কৰ্তন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁ 'ইনটেনদেণ্ট' (Intendant) নামৰ এক প্ৰকাৰ নতুন ৰাজকীয় বিষয়া নিয়োগ কৰি তেওঁলোকলৈ ন'বলসকলৰ পৰা বহু ক্ষমতা হস্তান্তৰ কৰি তেওঁলোকৰ শক্তিৰোধ কৰাৰ ব্যৱস্থা কৰিছিল। ৰাজভক্তিপৰায়ণ মধ্যম শ্ৰেণীৰ পৰা ৰজাই সাধাৰণতে নিয়োগৰ ব্যৱস্থা কৰিছিল। প্ৰতিজন ইনটেনদেণ্টক এখন বিশেষ জিলাৰ তত্ত্বাবধায়কৰ দায়িত্ব অৰ্পণ কৰিছিল। তেওঁলোকে জিলা পৰিদৰ্শন, কৰ নিৰ্দ্ধাৰণ আৰু কৰ সংগ্ৰহ কৰিছিল, স্থানীয় পুলিচ বা সামৰিক লোকক সংগঠিত কৰিছিল, শৃঙ্খলা ৰক্ষা কৰিছিল আৰু ৰাজসভাৰ বিধি প্ৰস্তুত কৰিছিল। কৰ, পুলিচ আৰু ন্যায় আদি বহুল ক্ষমতাৰে ইনটেনদেণ্টসকলক তেওঁলোকৰ অধিক সংখ্যক সদস্যৰ বাবে ফ্ৰান্সৰ 'থাৰ্ডি টাইৰেণ্ট'ৰ পদৱীৰ সমান কৰা হৈছিল। কিন্তু একমাত্ৰ ৰজাৰ অনুগ্ৰহত তেওঁলোকৰ স্থান নিৰাপদ আছিল। তেওঁলোকক দীৰ্ঘদিনৰ বাবে অৰ্থনৈতিক স্বাৰ্থ থকা আৰু ৰাজশক্তিয়ে যাৰ পৰা উপযুক্ত সেৱা লাভ কৰে সেই শ্ৰেণীৰ পৰাহে

Scanned with CamScanner

ইনটেনদেণ্টসকলক লোৱা হৈছিল। তাৰোপৰি ৰজাৰ প্ৰতি থকা তেওঁলোকৰ ৰাজভক্তিৰ ওপৰত নিয়োগ নিৰ্ভৰ কৰিছিল। ইনটেনদেণ্ট সকলে পেৰিচত থকা ৰাজকীয় মন্ত্ৰীৰ আদেশ গ্ৰহণ কৰিব লাগিছিল আৰু তেওঁলোকলৈ দৈনিক খবৰ প্ৰেৰণ কৰিব লাগিছিল। সদা সতৰ্ক ৰিচেলিউৰ বাবে ৰাজ্যৰ সকলো দিশত তেওঁলোকে চকু দিব লাগিছিল। যিমানেই বুৰ্জোৱা ইনটেদেণ্টসকলৰ দায়িত্ব বৃদ্ধি পাইছিল, গৰ্ভণৰ হিচাবে নিয়োজিত ন'বল সকলৰ ক্ষমতা সিমানেই হ্ৰাস পাইছিল। ইনটেনদেণ্টসকলৰ বাহিৰে ৰিচেলিউয়ে কোনো নতুন চৰকাৰী বিভাগ খোলা নাছিল। উচ্চ সংগঠিত আৰু বিস্তৃত কাৰ্যৰ ৰাজ্যৰ দৰে ৰিচেলিউৰ দিনৰ ফ্ৰান্সৰ ৰাজতন্ত্ৰ শিথিলভাৱে সংগঠিত আছিল। ৰজাৰ কাৰ্য সম্পূৰ্ণ ৰাজতান্ত্ৰিক কিন্তু তেওঁৰ পূৰ্ণ ক্ষমতা সীমিত ক্ষেত্ৰত প্ৰয়োগ হৈছিল আৰু এটা বহল অব্যক্তিক কেন্দ্ৰীয় চৰকাৰৰ সহায় নোহোৱাকৈ কাৰ্য কৰিছিল। তেওঁৰ দিনৰ কেন্দ্ৰীভূত চৰকাৰ মানে ৰজাৰ নামত ৰিচেলিউয়ে অকলে কাৰ্যনিৰ্বাহ কৰাকে বুজাইছিল।

তথাপি তাত কোনো সন্দেহ নাই যে ৰিচেলিউয়ে ফ্ৰান্সত চৰকাৰৰ ধাৰণাৰ পৰিৱৰ্তন সাধন কৰিছিল। তেওঁ চৰকাৰক কম সামন্তীয় আৰু বেছি ৰাজতন্ত্ৰবাদী কৰি তুলিছিল। তেওঁ 'বিভাজিত ৰাজভক্তি' আৰু ৰাজহ আৰু সৈন্য বাহিনীৰ ক্ষেত্ৰত থকা ৰাজকীয় ক্ষমতাৰ ওপৰত পৰা স্থানীয় বাধা দূৰ কৰি ৰাজকীয় কৰ্তৃপক্ষক শক্তিশালী কৰাৰ উদ্দেশ্যে তেওঁ প্ৰচলিত ৰাজনৈতিক যন্ত্ৰক উপযোগী কৰি তুলিছিল। তেওঁ প্ৰকাশ্যে মধ্যযুগীয় ইষ্টেটচ জেনেৰেল উঠাই দিয়া নাছিল। ফ্ৰান্সৰ কিছুমান প্ৰদেশত বৰ্তি থকা স্থানীয় ইষ্টেটচ যেনে ব্ৰিট্টানি, প্ৰোভেন্স, বাৰগান্দী আৰু লেংগুৱেদৰ আদিক ৰিচেলিউয়ে পূৰ্বৰ দৰে চলি থাকিব দিছিল। কিন্তু তেওঁলোকৰো ক্ষমতা সীমিত হৈ একমাত্ৰ কৰ বিষয়াক নিয়োজিত কৰিব পাৰিছিল। তেওঁ হিউগিনট সকলৰ বিভাজনমুখী ৰাজনৈতিক আৰু ন'বলসকলৰ পৃথকতাবাদী সামৰিক ব্যৱস্থাৰ পৰা হাত সাৰিব পৰা নাছিল। তেওঁ ফ্ৰান্সত এটা ৰাজহুৱা ৰাজকোষ স্থাপন কৰিছিল।



তেওঁ ফ্ৰান্সত এটা সামৰিক বাহিনী গঠন কৰিছিল।

ৰিচেলিউৰ আভ্যন্তৰীণ নীতিবোৰে আনুগত্য আৰু একতা বৃদ্ধি কৰিছিল আৰু ফ্ৰান্সত সম্পূৰ্ণ ৰাজতন্ত্ৰৰ পথ প্ৰশস্ত কৰিছিল।

### ৰিচেলিউৰ বৈদেশিক নীতি (Foreign Poilcy of Richelieu) ঃ

কাৰ্ডিনেল ৰিচেলিউ বুৰবন বংশৰ এজন ৰাজভক্তিপৰায়ণ সেৱক আৰু ফ্ৰান্সৰ এজন দেশপ্ৰেমিক আছিল। ফ্ৰান্সৰ দেশপ্ৰেমিক হিচাবে ৰাজ্যখনক স্বাধীনতা প্ৰদান কৰিবলৈ বিচাৰিছিল আৰু ইউৰোপত সন্মানীয় স্থানত বহুৱাবলৈ বিচাৰিছিল। তেওঁ বিশেষকৈ স্পেইনক দুৰ্বল কৰিবলৈ বিচাৰিছিল কাৰণ নেদাৰলেণ্ড, ফৰাচী কম্‌তে আৰু উত্তৰ ইটালী আদি স্পেইনৰ অধীন ৰাজ্যবোৰে ফ্ৰান্সক আগুৰি আছিল। ত্ৰয়োদশ লুইৰ ৰাজভক্তিপৰায়ণ সেৱক হিচাবে প্ৰধান ইউৰোপীয়ান প্ৰতিদ্বন্দ্বীৰ খৰচত তেওঁ বুৰবন পৰিয়ালৰ ৰাজ্যৰ সীমা সম্প্ৰসাৰণ কৰিবলৈ চেষ্টা কৰিছিল।

এনে দুতৰপীয়া ভূমিকাৰ ক্ষেত্ৰত কাৰ্ডিনেল ৰিচেলিউয়ে ত্ৰিশ বছৰীয়া যুদ্ধৰ সময়ত ফ্ৰান্সৰ বৈদেশিক নীতি অষ্ট্ৰিয়া আৰু স্পেইনৰ মিত্ৰগোষ্ঠীৰ বিৰুদ্ধে গ্ৰহণ কৰিছিল। প্ৰথমতে তেওঁ জাৰ্মানীৰ প্ৰটেষ্টাণ্ট ৰাজকুমাৰ, চুইছবাসী আৰু ডাচ্চ আদি হেপচবাৰ্গৰ বিৰুদ্ধে ৰণক্ষেত্ৰত ভৰি দিয়া যিকোনো শক্তিলৈ ৰিচেলিউয়ে পৰামৰ্শ আৰু অৰ্থ সাহায্য দি সন্তুষ্ট আছিল। অৱশেষত ১৬৩৫ খৃঃত যেতিয়া শত্ৰুক পৰোক্ষভাৱে সহায় কৰি বিফল হৈছিল, তেতিয়া ৰিচেলিউৱে প্ৰত্যক্ষভাৱে যুদ্ধত হস্তক্ষেপ কৰিছিল। তেতিয়াৰে পৰা তেওঁৰ মৃত্যুৰ সময়লৈ তেওঁ এটাৰ পিছত আন এটা সুসংগঠিত অভিযান প্ৰেৰণ কৰিছিল। তেওঁ এবাৰ হেপচবাৰ্গ পবিত্ৰ ৰোমান সাম্ৰাজ্যলৈ, এবাৰ স্পেইনৰ হেপচবাৰ্গ ৰজাৰ সংলগ্ন অঞ্চললৈ প্ৰেৰণ কৰিছিল। একে সময়তে তেওঁ ডাচ্চ আৰু চুইছ আৰু জাৰ্মান প্ৰটেষ্টাণ্টসকলক হেপচবাৰ্গৰ বিৰুদ্ধে উচতাই দিয়া কাৰ্য অব্যাহত ৰাখিছিল।

Scanned with CamScanner

ত্ৰিশ বছৰীয়া যুদ্ধৰ পৰিণাম চাবলৈ ৰিচেলিউ বাচি নাথাকিল। ওৱেষ্টফলীয়াৰ সন্ধি স্বাক্ষৰৰ ছয় বছৰ পূৰ্বে ১৬৪২ খৃঃত ৰিচেলিউৰ মৃত্যু হৈছিল আৰু স্পেইনৰ সৈতে পিৰেনিজ (Treaty of pyrenees) চুক্তি স্বাক্ষৰৰ ১৭ বছৰ পূৰ্বে তেওঁ ইহলীলা ত্যাগ কৰিছিল। কিন্তু তেওঁ স্পেইনৰ পৰা ফ্ৰান্সৰ হাতলৈ সামৰিক নেতৃত্ব অহাটো দেখা পাইছিল। ১৬৪২ খৃঃত তেওঁৰ চেষ্টা আৰু শক্তিক শলাগ ল'বই লাগিব। কিয়নো ফ্ৰান্সে স্পেইনতকৈ অতি উন্নত বাহিনী লাভ কৰিছিল। তেওঁ নিয়োগ কৰা টুৰেন্নি (Turenni) আৰু কোণ্ডে (Conde) উল্লেখযোগ্য ডেকা শক্তিৰ দলৰ শলাগ ল'বই লাগিব, ফ্ৰান্স বাহিনীয়ে অষ্ট্ৰিয়া হেপাচবাৰ্গৰ পৰা আলচেক (Alsace) কাঢ়ি আনিছিল আৰু স্পেইন হেপচবাৰ্গৰ পৰা ৰোছিলন (Roussillon) আজুৰি আনিছিল। এইটো ইতিমধ্যে স্পষ্ট হৈ পৰিছে যে ত্ৰিশ বছৰীয়া যুদ্ধৰ দুখ-যন্ত্ৰণাৰ পৰা যিয়েই ৰাজনৈতিক সুবিধা লাভ নকৰক কিয় তাৰ প্ৰাপ্তি ফ্ৰান্স আৰু বুৰবনসকল আৰু ৰিচেলিউৰ কৃতিত্বই লাভ কৰিব।

### কাৰ্ডিনেল মেজাৰিন (Cardinal Mazarin) ঃ

১৬৪২ খৃঃৰ ৪ ফেব্ৰুৱাৰীত কাৰ্ডিনেল ৰিচেলিউৰ মৃত্যু হোৱাৰ পিছত ত্ৰয়োদশ লুইয়ে মেজাৰিনক প্ৰধানমন্ত্ৰী পদত নিয়োগ কৰিছিল। কিন্তু ত্ৰয়োদশ লুই বেছিদিন বাচি নাথাকিল। মাত্ৰ এবছৰ চাৰিমাহ পিছতে ত্ৰয়োদশ লুইৰ মৃত্যু হৈছিল। তেওঁৰ মৃত্যুৰ সময়ত তেওঁৰ পুত্ৰ আৰু উত্তৰাধিকাৰী চতুৰ্দ্দশ লুই পাঁচ বছৰীয়া নাবালক আছিল। সেয়ে তেওঁৰ মাতৃয়ে নাবালক পুত্ৰৰ অভিকত্ৰী হৈছিল আৰু প্ৰধানমন্ত্ৰী কাৰ্ডিনেল মেজাৰিনক শিশু সম্ৰাটৰ অভিভাৱক ঘোষণা কৰা হৈছিল। সেয়ে হেয়জে কৈছিল যে বিখ্যাত মন্ত্ৰী আৰু কাৰ্ডিনেল মেজাৰিণে ৰিচেলিউৰ শক্তিশালী আঁচনি অনুসৰণ নকৰিলে নাবালক চতুৰ্দ্দশ লুইৰ ৰাজত্বকাল ফ্ৰান্সৰ বাবে আৰু ৰাজশক্তিৰ বাবে বিপত্তিজনক হ'লহেঁতেন।



মেজাৰিনৰ জন্ম হৈছিল ইটালীৰ নেপলচৰ ওচৰত ১৬০২ খৃঃত। তেওঁ ৰোম আৰু স্পেইনত ধৰ্মীয় শিক্ষা গ্ৰহণ কৰিছিল। পোপৰ হৈ বহুতো কূটনৈতিক মিছনৰ দায়িত্ব লৈ তেওঁ নুনচিও (Nuncio) হিচাবে পেৰিচত কাৰ্যনিৰ্বাহ কৰিছিল আৰু ইয়াতেই তেওঁ ৰিচেলিউৰ অনুগ্ৰহ লাভ কৰিবলৈ সমৰ্থ হৈছিল। ৰিচেলিউয়ে মেজাৰিনক ফ্ৰান্সৰ বজাৰ সেৱাত নিয়োজিত হ'বলৈ আমন্ত্ৰণ কৰিছিল আৰু ১৬৩৯ খৃঃত মেজাৰিন ফ্ৰান্সৰ লোক হৈ পৰিছিল। বিদেশত জন্ম হোৱা সত্ত্বেও মেজাৰিনে ফৰাচী ভাষা সালসলীয়াকৈ ক'ব পাৰিছিল। তেওঁ আদৰি লোৱা ৰাজ্যখনৰ চৰকাৰী দায়িত্ববোৰ ক্ষীপ্ৰতাৰে সমাধান কৰি দোপতদোপে তেওঁৰ উত্থান হৈছিল। তেওঁক কাৰ্ডিনেল উপাধি দিয়া হৈছিল আৰু ৰিচেলিউৰ শিষ্য বুলি স্বীকাৰ কৰা হৈছিল।

### মেজাৰিনৰ গৃহনীতি (Home Policy of mazarin) ঃ

সঁচাকৈয়ে মেজাৰিন ৰিচেলিউৰ প্ৰকৃত শিষ্য আছিল আৰু তেওঁৰ অভিভাৱক, বন্ধু আৰু দাৰ্শনিক হিচাবে ফ্ৰান্সৰ আভ্যন্তৰীণ আৰু বৈদেশিক নীতিৰ ক্ষেত্ৰত ৰিচেলিউৰ নীতি অনুসৰণ কৰিছিল। ১৬৪২ খৃঃত ৰিচেলিউৰ মৃত্যুৰ পিছৰ পৰা তেওঁৰ নিজৰ মৃত্যুৰ (১৬৬১ খৃঃত) সময়লৈ মেজাৰিনে প্ৰকৃততে ফ্ৰান্স শাসন কৰিছিল। আভ্যন্তৰীণ কাৰ্যত মেজাৰিন বহুতো সমস্যাৰ সন্মুখীন হৈছিল। ক্ষমতাশালী ডাঙৰীয়াসকলে ৰিচেলিউৰ কঠোৰ স্থিতিত শংকিত হৈ পৰিছিল আৰু মেজাৰিনেও সেই নীতিৰ পৰা আঁতৰি অহাৰ কোনো লক্ষণ দেখা নগৈছিল। ডাঙৰীয়াসকলে ৰিচেলিউক বাধা দিবলৈ অসমৰ্থ হৈছিল কিন্তু মেজাৰিনৰ বিৰুদ্ধে তেওঁলোকে দেশপ্ৰেমিক মধ্যম শ্ৰেণীক মিত্ৰ হিচাবে পাইছিল কাৰণ মধ্যম শ্ৰেণীয়ে ইটালীৰ কাৰ্ডিনেলৰ বিদেশত জন্মগ্ৰহণ আৰু বিদেশী ভাষা, তেওঁৰ ধনলোভ, নিজৰ পৰিয়ালৰ কল্যাণৰ বাবে ৰাজ্যখনৰ ৰাজহ লুণ্ঠন কৰা আৰু তেওঁৰ কৌশলী দ্বৈত ভূমিকাক ঘৃণা কৰিছিল।

Scanned with CamScanner

**ফ্রণ্ডি (Frondi) ঃ** ডাঙৰীয়া আৰু মধ্যম শ্রেণীয়ে মেজাৰিনৰ বিৰুদ্ধে ফ্রণ্ডি বিদ্রোহ ঘোষণা কৰিছিল। ফ্রণ্ডি বিদ্রোহ, ফ্রান্সত ৰাজতন্ত্র ধ্বংস কৰাৰ বাবে ফৰাচী বিপ্লৱৰ প্রাক্‌মুহূর্তত ফ্রণ্ডি বিদ্রোহ আছিল শেষ প্রচেষ্টা। ফ্রণ্ডিয়ে এটা অস্পষ্ট জনপ্রিয় বিদ্রোহক প্রতিনিধিত্ব কৰিছিল। ইয়াৰ লগতে ন'বল বা ডাঙৰীয়াসকলৰ ফালৰ পৰা ই আছিল স্বার্থপৰ প্রতিক্রিয়া। এই বিদ্রোহৰ চেলু আছিল মেজাৰিনে পেৰিচৰ পার্লিয়ামেণ্টত হস্তক্ষেপ কৰা। ফ্রণ্ডি ১৬৪৮ খৃঃৰ পৰা ১৬৫২ খৃঃলৈ প্রবল ৰূপত বর্তি আছিল। তাৰোপৰি নেপল্‌চ আৰু পর্টুগালৰ বিদ্রোহেও ন'বলসকলক ফ্রান্সত বিদ্রোহ কৰিবলৈ অনুপ্রেৰণা যোগাইছিল।

ফৰাচী পার্লেমেণ্টবোৰ একোটা ন্যায়িক গোট আছিল। এইবোৰে গুৰুত্বপূর্ণ মোকৰ্দমাবোৰৰ বিচাৰ কৰিছিল আৰু নিম্ন আদালতৰ আবেদনৰ শুনানী গ্রহণ কৰিছিল। পেৰিচৰ পার্লামেণ্টো সেই সময়ত বিখ্যাত ন্যায়িক গোট হিচাবে সময় আগবঢ়াৰ লগে লগে ৰাজকীয় অধ্যাদেশ পঞ্জীয়ন কৰাৰ অধিকাৰ প্রয়োগ কৰিছিল যেনে সাধাৰণ ৰূপত ৰজাৰ ৰাজাজ্ঞা গ্রহণ আৰু আইনগত গ্রন্থত নথিভুক্ত কৰা যাতে সেই দেশৰ আইনবোৰ সহজে জানিব পাৰি। আৰম্ভণিৰে পৰা গুৰুত্বপূর্ণ আৰু শক্তিশালী ন্যায়িক গোট হিচাবে পেৰিচৰ পার্লেমেণ্টৰ ৰজাৰ আইন পঞ্জীয়নভুক্তকৰণৰ অস্বীকাৰ কৰাৰ অধিকাৰো আছিল। পেৰিচৰ পার্লেমেণ্টৰ দ্বাৰা মেজাৰিনৰ বিৰুদ্ধে গৃহযুদ্ধৰ সূচনা হৈছিল আৰু পেৰিচৰ পার্লিয়ামেণ্টে কিছুমান নতুন ৰাজাজ্ঞা পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰাটো এটা গুৰুত্বপূর্ণ পদক্ষেপ আছিল। ৰিচেলিউয়ে পার্লেমেণ্টক দুর্বল কৰি ৰাজতন্ত্র শক্তিশালী কৰিবলৈ বিচাৰিছিল। ৰিচেলিউৰ মৃত্যুৰ পিছত পার্লমেণ্টে ৰজাৰ আর্দেশ মতে কাম কৰিবলৈ বাধ্য নহয় আৰু পূর্বৰ এনে অধিকাৰ দাবী কৰিছিল। ১৬৪৪ খৃঃতঃ পার্লেমেণ্টে মেজাৰিনৰ বিত্ত সম্পৰ্কীয় অধ্যাদেশ পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু মেজাৰিনৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিছিল। নিজকে শক্তিশালী কৰিবলৈ পেৰিচৰ



পার্লেমেণ্টে মেজাৰিনৰ সন্মুখত বহুতো দাবী উত্থাপন কৰিছিল—

১। পার্লিয়ামেণ্টৰ পূর্ব অনুমোদন নোলোৱাকৈ পেৰিচৰ জনসাধাৰণৰ ওপৰত কোনো কৰ আৰোপ কৰিব নোৱাৰিব।
২। নতুন পদবী সৃষ্টি কৰিব নোৱাৰিব।
৩। ৰাজপ্রতিনিধি বা ইনটেনদেণ্টৰ পদবীবোৰ বাতিল কৰিব লাগিব।
৪। বিচাৰ নোহোৱাকৈ কোনো ব্যক্তিক ন্যায়িক জিম্মাত ২৪ ঘণ্টাতকৈ বেছি সময় ৰাখিব নোৱাৰিব।
৫। ঠিকাদাৰসকলে অবৈধভাৱে সংগ্রহ কৰা কৰৰ ওপৰত তদন্ত কৰিব লাগিব আৰু অপৰাধীসকলক কঠোৰ শাস্তি প্রদান কৰিব লাগিব।

পেৰিচৰ পার্লিয়ামেণ্টৰ দাবীবোৰ সম্পূর্ণ সত্য আৰু জনসাধাৰণে তেওঁলোকক আন্তৰিকতাৰে সমর্থন দিছিল। সেই সময়ত ফ্রান্সৰ ৰাজকীয় সৈন্যবাহিনী জার্মানীত আছিল। সেয়ে মেজাৰিনে পৰিস্থিতিৰ হেঁচাত পৰি তেওঁলোকৰ কিছুমান দাবী মানি লৈছিল। তেওঁ ইনটেনদেণ্টৰ পদবী উঠাই দিছিল আৰু বিত্ত বিভাগৰ দুর্নীতি অনুসন্ধান কৰিবলৈ প্রতিশ্রুতি দিছিল। ঠিকাদাৰসকলে অবৈধভাৱে সংগ্রহ কৰা কৰৰ ওপৰত অনুসন্ধান কৰিবলৈ সন্মত হৈছিল। ইয়াৰ ফলত গৃহযুদ্ধৰ অৱসান ঘটিছিল কিন্তু জার্মানীৰ পৰা ৰাজকীয় বাহিনী বিজয়ী হৈ উভতি অহাৰ পিছত মেজাৰিনে সৈন্যবাহিনীৰ সহায়ত পেৰিচ পার্লিয়ামেণ্টলৈ আগবঢ়োৱা অধিকাৰ পুনৰ ঘূৰাই পাবলৈ চেষ্টা কৰিছিল। ফলত গৃহ যুদ্ধৰ পুনৰাবৃত্তি হৈছিল। এই বিদ্রোহ ১৬৪৯ খৃঃলৈ চলিছিল আৰু অৱশেষত চুক্তিৰ দ্বাৰা ইয়াৰ সমাপ্তি ঘটিছিল। ইয়াৰ ফলত পার্লিয়ামেণ্টে আকৌ এবাৰ সুদৃঢ় ৰূপত অধিকাৰ ঘূৰাই পাইছিল।

দ্বিতীয় ফ্রণ্ডি বিদ্রোহ ১৬৫০ খৃঃত আৰম্ভ হৈছিল। দ্বিতীয় ফ্রণ্ডিক ৰাজকুমাৰসকলৰ বিদ্রোহ বুলি কোৱা হয় কাৰণ ডিউকসকলে, কাউণ্টসকলে আৰু মাৰ্কুইচসকলে ইয়াত অংশগ্রহণ কৰিছিল। এই বিদ্রোহ একমাত্র মেজাৰিনৰ বিৰুদ্ধে পৰিচালিত হৈছিল কাৰণ ৰাজকীয় ৰাজকুমাৰসকলে মেজাৰিনৰ

Scanned with CamScanner

ক্ষমতা নাশ কৰি লোভনীয় পদত নিযুক্ত হ'বলৈ বিচাৰিছিল। তেওঁলোকে মেজাৰিণক তেওঁলোকৰ ডাঙৰ প্ৰতিদ্বন্দ্বী বুলি গণ্য কৰিছিল। কিন্তু জনসাধাৰণে এই বিদ্ৰোহত অংশ লোৱা নাছিল। পেৰিচ পাৰ্লেমেণ্টৰ এজন প্ৰভাৱশালী নেতা গোন্দিয়ে মেজাৰিনৰ বিৰুদ্ধে প্ৰজাক উচটনি দিয়াৰ লগে লগে ১৬৫০ খৃঃত দ্বিতীয় ফ্ৰণ্ডি বিদ্ৰোহ আৰম্ভ হৈছিল। এটা সময়ৰ বাবে টুৰিন্নি আন্দোলনৰ প্ৰতি সহানুভূতিশীল আছিল, অৱশ্যে অৱশেষত তেওঁ মেজাৰিণক ত্ৰিশ বছৰীয়া যুদ্ধত টুৰিন্নিৰ সৈতে ফ্ৰান্সলৈ গৌৰৱ কঢ়িয়াই অনা কোন্দে মেজাৰিনৰ বিৰুদ্ধে বিদ্ৰোহত যোগদান কৰিছিল। মেজাৰিনে কোন্দে আৰু কিছুমান বিদ্ৰোহী নেতাক বন্দী কৰিবলৈ আদেশ দিছিল। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে বিদ্ৰোহৰ শিখা পেৰিচ অতিক্ৰমী প্ৰতিবেশী নগৰলৈ বিয়পি গৈছিল। অতি সোনকালে বিদ্ৰোহ ভয়ংকৰ হৈ উঠিছিল আৰু পেৰিচ নিজৰ নিয়ন্ত্ৰণলৈ নিছিল। মেজাৰিনে ব্ৰুলেলৈ পলাই গৈছিল। ইয়াৰ পিছত পৰিস্থিতিৰ উপশমৰ দুজন নেতাৰে সৈতে কন্দেক মুকলি কৰি দিছিল। তথাপি ন'বলসকলে নিজৰ স্বাৰ্থ পূৰণ নোহোৱালৈ বিদ্ৰোহ অব্যাহত ৰাখিছিল কিন্তু সাধাৰণ প্ৰজাই সহযোগ উঠাই লৈছিল। বিদ্ৰোহীসকলে স্পেইনৰ গভৰ্ণৰ যোছেফৰ সমৰ্থন লাভৰ চেষ্টা কৰিছিল কিন্তু মেজাৰিনে তেওঁৰ সমৰ্থনৰ নিজে লাভ কৰিছিল। ইয়াৰ পিছতে মেজাৰিনে সৈন্যবাহিনীৰ সহায়ত বিদ্ৰোহীসকলক দমন কৰিছিল। বিদ্ৰোহীসকলৰ নেতা কোন্দে স্পেইনত আশ্ৰয় লৈছিল। ১৬৫২ খৃঃত সম্পূৰ্ণৰূপে গৃহযুদ্ধৰ অৱসান ঘটিছিল।

**ফ্ৰণ্ডি বিদ্ৰোহৰ পৰিণাম ঃ** ফ্ৰণ্ডি বিদ্ৰোহৰ ফলাফল আছিল—

১। শক্তিশালী ন'বলসকল অনাদৃত আৰু অৱহেলিত হৈ পৰিছিল। তেওঁলোকে পূৰ্বৰ যশস্যা আৰু সন্মান হেৰুৱাইছিল।

২। ৰাজনৈতিক আৰু বিত্ত সম্পৰ্কীয় বিষয়ত মনোযোগ দিয়াৰ পৰা পাৰ্লিয়ামেণ্টক বাধা দিয়া হৈছিল।

৩। পেৰিচক নিৰস্ত্ৰ কৰা হৈছিল আৰু পৌৰ সমিতিৰ বিষয়াসকলক

নির্বাচন কৰাৰ অধিকাৰো হেৰুৱাইছিল।

৪। ৰাজকীয় শক্তি ৰিচেলিউৰ সময়তকৈ বেছি শক্তিশালী আছিল কাৰণ বিদ্রোহীসকলে ইয়াক দুর্বল কৰিবলৈ চেষ্টা কৰি বিফল হৈছিল। চতুর্থ হেনৰী, ৰিচেলিউ আৰু মেজাৰিনে চতুর্দশ লুইৰ ৰাজতন্ত্র শক্তিশালী হোৱাৰ পথ মুকলি কৰি গৈছিল।

৫। মেজাৰিনৰ মান মর্যাদা পুনৰ স্থাপন হৈছিল।

৬। পেৰিচ পার্লিয়ামেণ্টৰ গৰিমা লোপ পাইছিল।

## মেজাৰিনৰ বৈদেশিক নীতি (Foreign Policy of Mazarin) ঃ

স্পেইন আৰু অষ্ট্রিয়াৰ হেপচবার্গসকলৰ বিৰুদ্ধে মেজাৰিণে তেওঁৰ পূর্বৰ মন্ত্রী ৰিচেলিউয়ে আৰম্ভ কৰা যুদ্ধখন অব্যাহত ৰাখিছিল আৰু তেওঁ ইয়াৰ সফল সমাপ্তি ঘটাইছিল। ১৬৪৮ খৃঃত তেওঁ পবিত্র ৰোমান্ সাম্রাজ্যৰ সৈতে ওৱেষ্টফলিয়া চুক্তিত স্বাক্ষৰ কৰিছিল আৰু ১৬৫৯খৃঃত স্পেইনৰ সৈতে পিৰেনিজ চুক্তি সম্পাদন কৰিছিল। তেওঁ ওৱেষ্টফলিয়া সন্ধিৰ পৰা আলজেক লাভ কৰিছিল আৰু ৰাইন আৰু জার্মানীত ফ্রান্সৰ অধিকাৰ স্বীকাৰ কৰা হৈছিল। তেওঁ স্পেইনৰ পৰা ৰোচিলন আৰু স্পেনিচ নেদাৰলেণ্ডৰ এটা অংশ লাভ কৰিছিল। এনেদৰে ৰিচেলিউয়ে সিচি থৈ যোৱা খেতিৰ ফল মেজাৰিনে ভোগ কৰিছিল। স্পেইনৰ সৈতে সম্পর্ক শক্তিশালী কৰিবলৈ মেজাৰিনে স্পেইনৰ সম্রাট চতুর্থ ফিলিপৰ কন্যা মেৰীয়ে থেৰেচাৰ সৈতে ফ্রান্সৰ সম্রাট চতুর্দশ লুইৰ বিবাহ সম্পাদন কৰিছিল।

Scanned with CamScanner